**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-JUNE-2026
**Time :** 0755 HRS

## ***Assamese Morning Bulletin***

০০০০০০

আজি বিষ্ণু ৰাভা দিৱস। ৰাজ্যৰ বিভিন্ন ঠাইত এই উপলক্ষে আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিষ্ণুৰাভা দিৱস উদযাপন কৰা হ'ব। এই অনুষ্ঠানতে ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা আৰু সতী সাধনী বঁটাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ, ২০২৫ বৰ্ষৰ আজানপীৰ বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে জিকিৰ আৰু জাৰীৰ প্ৰসিদ্ধ শিল্পী গোলাঘাটৰ ছামচুদ্দিন আহমেদলৈ ২০২৫ বৰ্ষৰ আজানপীৰ ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হৈছে। সত্ৰীয়া শিল্পী মাণিক বৰবায়ন আৰু চিত্ৰশিল্পী মধুসূদন দাসলৈ ৰাজ্যিক পৰ্যায়ৰ ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা আগবঢ়োৱা হৈছে। লেখিকা গীতা উপাধ্যায়লৈ ২০২৬ বৰ্ষৰ সতী সাধনী বঁটা আগবঢ়োৱা হৈছে। অসমৰ সমাজ, সাহিত্য, সংস্কৃতি আৰু কলাক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁলোকক এই সন্মানীয় বঁটা প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰীয় বঁটাপ্ৰাপকগৰাকীক ৩ লাখ টকা আৰু ৰাজ্যিক বঁটাপ্ৰাপক তিনিগৰাকীক ২ লাখ টকাকৈ ধনৰাশিও প্ৰদান কৰা হ'ব।

এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদ বিজুলী কলিতা মেধি, দিছপুৰৰ বিধায়ক প্ৰদ্যুৎ গগৈৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে লেখক, গৱেষক ড° অনিল শইকীয়া উপস্থিত থাকিব।

অসম সাহিত্য সভা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যৌথ উদ্যোগত জিলা সাহিত্য সভা আৰু শংকৰদেৱ সংঘৰ ধেমাজি জিলা শাখাৰ সহযোগত গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি কেন্দ্ৰীয়ভাৱে বিষ্ণুৰাভা দিৱস উদযাপন কৰা হ'ব।

০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ দ্বাৰা পৰিচালিত চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা – নীট কাইলৈ পুনৰ অনুষ্ঠিত হ'ব। এই পৰীক্ষা শান্তিপূৰ্ণ আৰু নিকাভাৱে পৰিচালনা কৰাৰ লক্ষ্যৰে শোণিতপুৰ জিলা প্ৰশাসনে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। শোণিতপুৰৰ জিলা দণ্ডাধীশ আনন্দ কুমাৰ দাসে এটা নিৰ্দেশযোগে জিলাখনত নিৰ্ধাৰিত পাঁচটা পৰীক্ষা কেন্দ্ৰত ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কঠোৰ নিষেধাজ্ঞা জাৰি কৰিছে। জিলাখনৰ মিছামাৰীৰ ১ নম্বৰ পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়, শালনীবাৰীৰ বায়ুসেনা ঘাটি তেজপুৰৰ ২ নম্বৰ পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়, চোলমাৰাৰ ১নম্বৰ কেন্দ্ৰীয় বিদ্যালয় আৰু ন-পামৰ তেজপুৰ বিশ্ববিদ্যালয়ৰ কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। জিলাখনৰ দণ্ডাধীশে দিয়া নিৰ্দেশ অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহত ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত অনাধিকৃত বা কোনো অপ্ৰয়োজনীয় ব্যক্তিৰ সমাবেশ বা জমা হোৱা কাৰ্য সম্পূৰ্ণ ৰূপে নিষিদ্ধ কৰা হৈছে। ইয়াৰ লগতে পৰীক্ষা প্ৰক্ৰিয়াত ব্যাঘাত জন্মাব পৰা বা অসৎ উপায় অৱলম্বন কৰাত সহায় কৰিব পৰা যিকোনো ধৰণৰ অনাধিকৃত প্ৰৱেশ, ফটোগ্ৰাফী, ভিডিঅ'গ্ৰাফী আৰু যোগাযোগ ব্যৱস্থাও নিষিদ্ধ কৰা হৈছে। পৰীক্ষাৰ সামগ্ৰী সুৰক্ষা, জিম্মা আৰু পৰিবহনত বাধা বা হস্তক্ষেপ কৰা যিকোনো কাৰ্যৰ ওপৰত প্ৰশাসনে নিষেধাজ্ঞা আৰোপ কৰিছে।

ইপিনে, নীট অনুষ্ঠিত কৰাক লৈ নগাঁও জিলা প্ৰশাসনেও কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এই পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্দ্ধত একে

ধৰণৰ নিষেধাজ্ঞা আৰোপ কৰাৰ লগতে পৰীক্ষাত নিয়োজিত জিলা প্ৰশাসনৰ সকলো বিষয়ববীয়াক সচেতন হ'বলৈ নিৰ্দেশ দিয়ে। পৰীক্ষা কেন্দ্ৰলৈ পৰিক্ষাৰ্থীয়ে কোনো ধৰণৰ বৈদ্যুতিন সামগ্ৰী নিব নোৱাৰিব বুলি স্পষ্টকৈ উল্লেখ কৰা হৈছে।

০০০০০০

ধেমাজি জিলাত কালি বৰদলনি উন্নয়ন খণ্ড কাৰ্যালয় চৌহদত জনকল্যাণ শিবিৰ অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ নিৰ্দেশনাত অনুষ্ঠিত এই শিবিৰত ধেমাজি জিলা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, স্বাস্থ্য, কৃষি, সমাজ কল্যাণকে ধৰি জিলাখনৰ ১১টা গুৰুত্বপূৰ্ণ বিভাগে অংশগ্ৰহণ কৰে। এই বিভাগসমূহে শিবিৰত বিপণী স্থাপনেৰে প্ৰদৰ্শনীতো ভাগ লয়। ইয়াৰ জৰিয়তে তৃণমূল পৰ্যায়ত চৰকাৰী কল্যাণমূলক পদক্ষেপৰ বিষয়ে জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। এই কাৰ্যসূচীত বৰদলনি খণ্ডৰ অন্তৰ্গত ১৩ খন গাঁও পঞ্চায়তৰ পৰা ৮৬৯ জনৰো অধিক হিতাধিকাৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০০

চৰাইদেউ জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ে জিলা প্ৰশাসনৰ সহযোগত অহা ২৩ জুনত এখন দেৱাল চিত্ৰ অংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। নিচামুক্ত ভাৰত সপ্তাহৰ অংশ হিচাপে সোণাৰী অসামৰিক চিকিৎসালয়ত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনত নিচামুক্ত ভাৰত সপ্তাহ পালন কৰা হ'ব। এই চিত্ৰাংকন প্ৰতিযোগিতাৰ মূল বিষয় হৈছে– 'নিচামুক্ত ভাৰত অভিযান, বিকশিত ভাৰত কী পেহচান'। ১৮ৰ পৰা ৩০ বয়সৰ যুৱক-যুৱতীসকলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। আগ্ৰহী প্ৰতিযোগীসকলে গুগল লিংকৰ জৰিয়তে নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব।

০০০০০০

**সমাপ্ত**